بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**হজৰত মছীহ মাওউদ (আঃ)ৰ গভীৰ তত্ত্ব সম্বলিত বাণী সমূহৰ আলোকত কোৰাণ কৰিমৰ ফজিলত স্থান,মৰ্যাদা আৰু মহত্ব সম্পৰ্কে বৰ্ণনা লগতে বাংলাদেশ,পাকিস্তান,বৰকিনাফাছো আৰু আলজেৰিয়াৰ আহমদী সকলৰ নিমিত্তে দোৱাৰ আহ্বান**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ৩ মাৰ্চত ২০২৩ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشۡهَدُ أَنۡ لَا إِلٰهَ إِلَّا اللّٰهُ وَحۡدَهُ لَا شَرِيۡكَ لَهُ وَأَشۡهَدُ أَنَّ مُحَمَّدًا عَبۡدُهُ وَرَسُوۡلُهُ أَمَّا بَعۡدُ فَأَعُوۡذُ بِاللّٰهِ مِنَ الشَّيۡطٰنِ الرَّجِيۡمِ ـ بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِيۡمِ ـ اَلۡحَمۡدُ لِلّٰهِ رَبِّ الۡعٰلَمِيۡنَ ـ الرَّحۡمٰنِ الرَّحِيۡمِ ـ مٰلِكِ يَوۡمِ الدِّيۡنِ ـ اِيَّاكَ نَعۡبُدُ وَاِيَّاكَ نَسۡتَعِيۡنُ ـ اِهۡدِنَا الصِّرَاطَ الۡمُسۡتَقِيۡمَ ـ صِرَاطَ الَّذِيۡنَ اَنۡعَمۡتَ عَلَيۡهِمۡ ۙ غَيۡرِ الۡمَغۡضُوۡبِ عَلَيۡهِمۡ وَلَا الضَّآلِّيۡنَ ـ

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে হজৰত মছীহ মাওউদ (আঃ)য়ে কোৰাণৰ যি জ্ঞান আৰু গভীৰ তত্ত্বৰ বিশ্লেষণ আমাক দি থৈ গৈছে আৰু নিজৰ বাণীৰ মাধ্যমেৰে সেই তত্ত্ব বুজি ল'বলৈ আৰু সেইবোৰৰ ওপৰত আমল কৰাৰ যি পদ্ধতি বৰ্ণনা কৰিছে, সেয়া মই যোৱা খোতবাত সামান্য বৰ্ণনা কৰিছিলোঁ। কোৰাণ কৰিমে যি মাৰিফতৰ ভঁৰাল আমালৈ আগবঢ়ায়, দৰাচলতে সেইবোৰে বান্দাক খোদা তা'লাৰ সান্নিধ্যলৈ লৈ যায়। ইয়াৰ বাহিৰে খোদা তা'লাক লাভ কৰাৰ আৰু কোনো পদ্ধতি নাই। হজৰত মছীহ মাওউদ (আঃ)য়ে নিজৰ এটা কবিতাৰ মাজত কৈছে,

**কোৰাণ খোদা নুমা হ্যায় খোদা কা কালাম হ্যায়, বে ইছকে মাৰিফত কা চমন নাতামাম হ্যায়।**

গতিকে এয়া এনেকুৱা এটা সূক্ষ্ম তত্ত্ব যে যাক আমি সদায় নিজৰ দৃষ্টিপটত ৰখা উচিত। যদি আমি খোদা তা'লাৰ সান্নিধ্য আৰু তাৰ সন্তুষ্টি বিচাৰো, যদি নিজৰ বাস্তৱতাক আৰু আখেৰাত সুন্দৰ কৰিব বিচাৰো তেন্তে আমি এই কথাবোৰ মনত ৰাখিব লাগিব। এই কথাখিনিও দৃষ্টিপতত ৰাখিব লাগিব যে কোৰাণ কৰিমৰ মাৰিফতৰ পৰা লাভ আহৰণ কৰিবলৈও খোদা তা'লাৰ প্ৰেৰিত পথপ্ৰদৰ্শনৰ এজনৰ প্ৰয়োজন আছে। ই যুগত সেই পথপ্ৰদৰ্শক হ'ল আঁহজৰত (ছাঃ)ৰ সত্য প্ৰাণ দাস হজৰত মছীহ মাওউদ (আঃ)। এখেত (আঃ)য়ে কোৰাণ কৰিমৰ বিভিন্ন শাখা প্ৰশাখাৰ ওপৰত যি গভীৰ তত্ত্ব সম্ভলিত বিশ্লেষণ আগবঢ়াইছে আৰু ইয়াৰ সৌন্দৰ্যৰ লগত পৰিচয় কৰাইছে সেই বিষয়ে পাৰ হৈ যোৱা দুটা জুমাৰ খোতবাত বৰ্ণনা কৰা হৈছে। এই বৰ্ণনাৰ ধাৰাবাহিকতা ভালেখিনি তত্ত্ব বহুল কথাৰ বৰ্ণনা আগবঢ়োৱা হ'ব। আজিও এই সম্পৰ্কে মই হজৰত মছীহ মাওউদ (আঃ)ৰ এৰশাদৰ (বৰ্ণনাৰ) আলোকত কোৰাণ কৰিমৰ বিশেষত্ব,মৰ্যাদা আৰু গুৰুত্ব সম্পৰ্কে কিছু কথা উল্লেখ কৰিম।

**কোৰাণ আন খোদা কা কালাম হ্যায়** এই পংক্তি ফাকিৰ ব্যাখ্যাৰ সৈতে লালা ভীম ছিন নামৰ খন চিঠিত তেখেত (আঃ)য়ে কৈছে যে লেখৰাম নামৰ এজন ব্ৰাহ্মণ লোক,আৰ্য্য সম্প্ৰদায়ৰ লোক কাদিয়ানত মোৰ ওচৰলৈ আহিছিল আৰু কৈছিল যে বেদ খোদা তা'লাৰ বাণী হয়, তাতে হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছিল যে মই কোৰাণ কৰিম খোদাৰ বাণী বুলি জানো কাৰণ না ইয়াতে শিৰিকৰ শিক্ষা আছে আৰু না কোনো অপকাৰী নাপাক (বেয়া) শিক্ষা সন্নিবিষ্ট আছে। ইয়াৰ আনুগত্যত জীৱন্ত খোদাৰ চেহেৰা দৃষ্টিগোচৰ হয় আৰু মজিজা প্ৰকাশিত হয়। গতিকে খোদা তা'লাৰ বাণী হোৱাৰ চৰ্ত হ'ল এয়া যে সেয়া শিৰিক মুক্ত হ'ব লাগিব আৰু তাৰ ওপৰত আমল কৰিলে খোদা তা'লাৰ চেহেৰা দৃষ্টি গোচৰ হ'ব লাগিব।

কোৰাণ কৰিমে খোদাৰ অস্তিত্ব প্ৰকাশত কেনেদৰে ভূমিকা পালন কৰি আহিছে,সেয়া চাহাবা সকলৰ জীৱন মোবাৰকত দেখিবলৈ পোৱা যায়। চাহাবা সকলৰ জীৱনত কোৰাণি শিক্ষাৰ প্ৰভাৱ সম্পৰ্কে বৰ্ণনা কৰোঁতে হজৰত মছীহ মাওউদে কৈছে যে আঁহজৰত (ছাঃ)ৰ যুগ যি ইছলাম প্ৰকাশিত হোৱাৰ সময় আছিল সেই সময়ছোৱাত বহল ভিত্তিত স্পষ্ট ভাৱে প্ৰমাণিত হয় যে আঁহজৰত (ছাঃ)ৰ শিক্ষা ৰাজীয়ে ঈমান স্থাপনকাৰী সকলক সাধাৰণ শ্ৰেণীৰ পৰা উচ্চ মাৰ্গলৈ লৈ গৈছিল। খোদা তা'লাই এটা পৱিত্ৰ ৰূহৰ সৈতে সিহঁতক সহায় কৰিছিল। তেওঁলোকে কেৱল মাত্ৰ এই মানদণ্ডৰ মাজতেই ক্ষান্ত হোৱা নাছিল বৰং তেওঁলোকে নিজৰ দুৰ্বলতা আৰু গোনাহক উপলব্দি কৰিব পাৰি তাৰ পৰা আঁতৰি আহিব পৰিছিল আৰু নেকিৰ ফালে দ্ৰুত খোজ পেলাই কেৱল মাত্ৰ দুৰ্বলতা দূৰ কৰা নাছিল বৰং নেকিৰ বাটত খোজৰ পিছত খোজ আগবঢ়াই গৈছিল। তেওঁলোকে খোদা তা'লাক সন্তুষ্ট ৰাখিবলৈ এনেকুৱা জিহাদ কৰিছিল যে তাতকৈ ডাঙৰ জিহাদ কৰাটো মানুহৰ বাবে কল্পনা কৰিব নোৱাৰি। তেওঁলোকে খোদা তা'লাৰ বাটত নিজৰ প্ৰাণলৈ উকা পাত এখিলাৰ দৰেও ভ্ৰূক্ষেপ কৰা নাছিল। অৱশেষত তেওঁলোক গৃহীত হৈছিল আৰু খোদা তা'লা তেওঁলোকৰ আত্মাক গোনাহৰ পৰা সম্পূৰ্ণ ৰূপে আঁতৰাই নেকিৰ প্ৰতি প্ৰেম জাগৃত কৰি দিয়ে। গতিকে এয়াই হ'ল কোৰাণ কৰিমৰ গভীৰ প্ৰভাৱ যে তেওঁলোকক জমিনৰ পৰা দাঙি উঠাই নি আচমানৰ উজ্জ্বল নক্ষত্ৰ বনাই দিয়ে। যি সকলৰ বিষয়ে আঁহজৰত (ছাঃ)য়ে কৈছে যে তেওঁলোকৰ প্ৰত্যেকেই তোমালোকৰ বাবে পথপ্ৰদৰ্শক স্বৰূপ।

কোৰাণ কৰিমৰ আনুগত্যৰ পৰা মানৱে খোদা তা'লাৰ গুণাৱলীৰ আৰ্চি স্বৰূপ হয়, এই সম্পৰ্কে হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে যিজন ব্যক্তিয়ে কোৰাণ চৰিফ অনুসৰণ কৰি প্ৰেম আৰু সত্যতাক চৰম মাৰ্গলৈ লৈ যায় তেওঁ ছায়া হিচাপে খোদা তা'লাৰ গুণাৱলীৰ দাপোন স্বৰূপ হয়। এই সকলোবোৰ ফলাফল সেই মহাশক্তি আৰু বিশেষত্বৰ যি খোদা তা'লাৰ বাণী কোৰাণ চৰিফত আমি অধ্যয়ন কৰো। কৈছে যে মই কোৰাণ কৰিমত এটা মহাশক্তিৰ জাগৰণ দেখিবলৈ পাইছো। মই আঁহজৰত (ছাঃ)ৰ আনুগত্যত এটা বিস্ময়কৰ গুণ দেখিবলৈ পাইছো আৰু সেয়া এয়া যে সত্য আনুগত্যকাৰী তাৰ মানদণ্ডৰ চৰম সীমাত গৈ উপস্থিত হয়।

কোৰাণ কৰিমৰ গুণাৱলী আৰু বৈশিষ্ট বৰ্ণনা কৰোঁতে তেখেত (আঃ)য়ে কৈছে কোৰাণ কৰিমৰ চাৰিটা অনন্য বৈশিষ্ট আছে। প্ৰথম বৈশিষ্ট হ'ল কোৰাণ কৰিমৰ মনোৰম বৰ্ণনা আৰু ব্যাখ্যা মানৱীয় ৰচনা আৰু ব্যাখ্যাৰ পৰা সম্পূৰ্ণ ৰূপে পৃথক আৰু উচ্চ। দ্বিতীয়টো ম'জিজা (অলৌকিকতা) স্বৰূপ বৈশিষ্ট হ'ল এয়া যে যিমান ইয়াতে কাহিনী বৰ্ণিত আছে, দৰাচলতে সেইবোৰ ভৱিষ্যতবাণী স্বৰূপ। তৃতীয় মজিজা স্বৰূপ বৈশিষ্ট হ'ল এয়া যে কোৰাণ কৰিমৰ শিক্ষায় মানৱ চৰিত্ৰ সম্পূৰ্ণতা প্ৰদানত এটা আহিলা স্বৰূপে কাম কৰে। সত্যকাৰীক খোদা তা'লাৰ ইমানেই সান্নিধ্যলৈ লৈ যায় যে তেওঁ কালামে ইলাহি লাভৰ সুযোগ পায় আৰু মুকলিমুৰীয়া নিচান প্ৰকাশিত হয়। কৈছে যে কোৰাণ কৰিম এনেকুৱা এটা কিতাপ যাৰ আনুগত্যৰ ফলত দোৱা গৃহীত হয়।

কোৰাণ কৰিমৰ মজিজা স্বৰূপ প্ৰভাৱৰ এটা প্ৰভাৱ এয়াও যে ইয়াৰ পূৰ্ণ আনুগত্যকাৰীয়ে কবুলিয়তৰ যোগ্যতা লাভ কৰে আৰু তাৰ দোৱা কবুল হৈ খোদা তা'লাৰ তৃপ্তিদায়ক আৰু ভয়ানক বাণীৰ দ্বাৰা তাক জনাই দিয়ে আৰু বিশেষকৈ শত্ৰুৰ আগত তাক সহায় আগবঢ়ায়।

কোৰাণ কৰিমৰ বৈশিষ্ট সম্পৰ্কে হুজুৰ (আঃ)য়ে কৈছে যে খোদা তা'লাৰ মহত্ব আৰু ভয়াবহতাৰ ওপৰত এনেকুৱা বিশ্বাস স্থাপন হোৱা উচিত যিয়ে এলাহৰ এনাজৰী ছিঙি চূৰ্ণ-বিচূৰ্ণ কৰি দিয়ে আৰু শৰীৰত কঁপনি তুলি দিয়ে আৰু মৃত্যুক ওচৰ চপাই দেখুৱায় আৰু হৃদয়ত এনেকুৱা ভয় উপজায় যে নফছে আত্মাৰাক পৰাভূত কৰি দিয়ে আৰু মানৱক অদৃশ্য হাতেৰে খোদা তা'লাৰ ফালে টানি নিয়ে। লগতে তাৰ হৃদয় এনেকুৱা বিশ্বাসেৰে ভৰি পৰে যে প্ৰকৃততে খোদা বৰ্তমান আছে, যিয়ে অঘাইত দোষীক শাস্তি নিদিয়াকৈ এৰি নিদিয়ে। মই প্ৰত্যেককে এই কথাটো জনাও যে সেই কিতাপ যিয়ে এইবোৰ প্ৰয়োজনীয়তা দূৰ কৰে সেয়া হ'ল কোৰাণ মজিদ। কোৰাণৰ আনুগত্য কৰোঁতা জনক খোদাই নিজে দেখা দিয়ে আৰু আলমে মলকুত ভ্ৰমণ কৰোৱায় আৰু নিজৰ ইন্নাল মজুদ হোৱাৰ শব্দৰে নিজে নিজৰ সত্তাৰ খবৰ দিয়ে।

এই বিষয়ে বৰ্ণনা কৰোঁতে যে কোৰাণ কৰিমেই শিৰিকৰ পৰা মুক্তিৰ উপায় তেখেত (আঃ)য়ে কৈছে যে কোৰাণ কৰিমে তৌহিদৰ বীজ আৰৱ, ফাৰচ,মিচৰ,ছিৰিয়া,হিন্দুস্থান,চীন, আফগানিস্তান, কাশ্মীৰ আদি চহৰত বপন কৰিছে আৰু অধিকাংশ চহৰৰ পৰা শিৰিক আৰু জীৱ পূজাৰ বীজ শিপাৰে সৈতে উভালি পেলাইছে। এয়া এনেকুৱা এটা কাৰ্যাৱলী যাৰ দৃষ্টান্ত অইন কোনো যুগত থকা বুলি উল্লেখ পোৱা নাযায়।

কোৰাণ কৰিমৰ শিক্ষা উচ্চ পৰ্যায়ৰ শিক্ষা এই সম্পৰ্কে হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে সেই কিতাপ, যি চৰম অজ্ঞতাৰ যুগত নাযিল হৈছিল, সেই যুগৰ বাবে উচ্চ পৰ্যায়ৰ শিক্ষা নীতিৰ প্ৰয়োজন আছিল সেই কিতাপ, যি সেই সকল লোকৰ সংশোধনৰ নিমিত্তে অৱতীৰ্ণ হয় যি সকলৰ হৃদয় বাতিল বিশ্বাসেৰে পূৰ আছিল আৰু কুৎচিত আমল কৰাটো অভ্যাসত পৰিণত হৈছিল।

কোৰাণ কৰিম এখন আলমগীৰ কিতাপ হোৱা সম্পৰ্কে তেখেত (আঃ)য়ে কৈছে যে যেতিয়া মানুহে জগতত বিস্তাৰ লাভ কৰাত উন্নতি কৰে আৰু দেখা সাক্ষাতৰ বাট মুকলি হয় আৰু এখন দেশৰ লোকে আন এখন দেশৰ লোকৰ সৈতে সংযোগ স্থাপন কৰাৰ উপায় উদ্ভাৱন হয় আৰু এই বিষয়ে গম পায় যে অমুক অমুক ঠাইত মানৱ জাতিৰ বসবাস চলি আছে আৰু খোদা তা'লাই ইচ্ছা কৰে যে তেওঁলোকক আকৌ এটা সম্প্ৰদায়ৰ দৰে বনাই দিয়া যাওঁক। বিভাজনৰ পিছত আকৌ একগোট কৰা যাওঁক তেতিয়া খোদা তা'লাই এই সকলোবোৰ লোকৰ বাবে এখন কিতাপ নমাই পঠিয়ালে।

হজৰত মছীহ মাওউদ (আঃ)য়ে কোৰাণ কৰিমৰ চাৰিটা ইল্লত অৰ্থাৎ ৰহস্যপূৰ্ণ আৰু সন্দেহমূলক বৰ্ণনা কৰিছে। ইয়াৰে প্ৰথমটো হ'ল ইল্লতে ফাইলী অৰ্থাৎ ইয়াৰ ৰচিয়তা (বনাওঁতা) কোন আৰু কিয় ৰচনা কৰিছে। দ্বিতীয় ইল্লতে ছুৰি অৰ্থাৎ প্ৰকাশ্য আৰু কাৰ্যকৰী অজুহাত কি। তৃতীয় ইল্লতে মাদি অৰ্থাৎ ইয়াৰ বাস্তৱিক লাভালাভ কি। চতুৰ্থ ইল্লতে ঘাই অৰ্থাৎ এই সকলোবোৰৰ বুনিয়াদী কাৰণ আৰু উদ্দেশ্য কি।

ইল্লতে ফাইলী সম্পৰ্কে কৈছে আলিফ লাম মিম আনা আল্লাহু আলামু। অৰ্থাৎ মই খোদা, আটাইতকৈ বেছি সৰ্বজ্ঞান সম্পন্ন। ইল্লতে মাদি সম্পৰ্কে কৈছে জালিকাল কিতাবু অৰ্থাৎ এইখনেই পৰম পৱিত্ৰ গ্ৰন্থ খোদা তা'লাৰ ফালৰ পৰা আহিছে। ইয়াৰ ওপৰত আমল কৰি প্ৰকৃত লাভালাভ আহৰণ কৰিব পাৰে। ইল্লতে ছুৰি লা ৰায়বা ফিহি অৰ্থাৎ এই পৰম পৱিত্ৰ গ্ৰন্থৰ ওপৰত কোনো সন্দেহ নাই। ইয়াৰ বৰ্ণনা সুসংগঠিত সুদৃঢ় আৰু যিবোৰ দাবী আছে সেয়া প্ৰমাণিত আৰু সুস্পষ্ট। এই গ্ৰন্থৰ ইল্লতে ঘাই হুদাল্লিল মুত্তাকিন অৰ্থাৎ এই কিতাপৰ উদ্দেশ্য হ'ল

মুত্তাকী সকলক হিদায়ত প্ৰদান কৰা।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে বৰ্তমানে নামধাৰী উলামা সকলে কোৰাণ কৰিমৰ অনমনীয় শিক্ষাক এনেদৰে দাঙি ধৰে যে বিৰুদ্ধবাদী সকলে ওলোটাই ইয়াৰ ওপৰত অভিযোগ কৰাৰ সুবিধা পায়। আজি এয়া আহমদী সকলৰ কাম হ'ল যে নিজৰ ভিতৰত তাকওৱাৰ জন্ম দি এই শিক্ষাৰ গুণাৱলী নিজৰ কথা আৰু কাৰ্য্যৰ হতুৱাই প্ৰমাণ কৰি দিয়া আৰু জগতবাসীক জনোৱা যে কোৰাণ কৰিমেই সকলো বেমাৰৰ চিকিৎসা হয়। আল্লাহ তা'লা আমাক তকওৱাৰ ওপৰত চলি ইয়াৰ ওপৰত আমল কৰাৰ তৌফিক দান কৰক। আমীন-

খোতবা জুমাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে বাংলাদেশ,পাকিস্তান, বৰকিনাফাছো আৰু আলজেৰিয়াৰ আহমদী সকলৰ নিমিত্তে দোৱা কৰিবলৈ আহ্বান জনায়। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এতিয়া মই দোৱাৰ আবেদন কৰিব বিচাৰিছো। বাংলাদেশত বৰ্তমানে বাৎসৰিক জলছা চলি আছে, আজি জলছাৰ প্ৰথম দিন। কিন্তু বিৰোধী পক্ষই,জলছাৰ ময়দানত আক্ৰমণ কৰিছে। কেইবাজনও লোক আহত হয়। এতিয়ালৈকে পোৱা খবৰ অনুযায়ী জনা যায় যে বিৰুদ্ধবাদী সকলে আক্ৰমণ কৰি কিছুমান লোকক বেয়াকৈ ঘাইল কৰিছে আৰু সেই অঞ্চলৰ আহমদী সকলৰ ঘৰ-দুৱাৰ জ্বলাই আছে। এতিয়াও অনুমান কৰিব পৰা হোৱা নাই যে আহমদী সকলৰ কিমান ক্ষতি সাধন হৈছে। আল্লাহ তা'লা আহমদী সকলক বিৰুদ্ধবাদী সকলৰ চয়তানীৰ পৰা ৰক্ষা কৰক। লগতে তেওঁলোকৰ গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰক। এনেকুৱা বিৰোধী সকলৰ বাবে কোনো ধৰণৰ হিদায়তৰ দোৱা হ'ব নোৱাৰে। **আল্লাহুম্মা মাজ্জিকহুম কুল্লা মুমাজ্জিক ওৱা ছাহহিকহুম তাছহিকান** এই দোৱা আছে, যি মুখেৰে ওলাই আহে,অন্তৰৰ পৰা ওলাই আহে।

এনেদৰে পাকিস্তানৰ সংকটময় অৱস্থাৰ সাম কাটিবলৈ দোৱা কৰিব। আল্লাহ তা'লা ইয়াৰে আহমদী সকলৰ অৱস্থা শান্তিপূৰ্ণ কৰি দিয়ক। বৰকিনাফছোত আহমদী সকলৰ বিপদে মূৰ দাঙি উঠিছে। ইয়াৰ বাবেও দোৱা কৰিব। এনেকুৱা অৱস্থা আলজেৰিয়াতও চলি আছে। তেওঁলোকৰ সুৰক্ষাৰ বাবে দোৱা কৰিব। আল্লাহ তা'লা সকলো ঠাইতে আহমদী সকলক নিৰাপদ ৰাখক।

বাংলাদেশত প্ৰশাসনৰ ফালৰ পৰা আমাক নিশ্চয়তা প্ৰদান কৰিছিল যে চিন্তা নকিৰবা, জলছা অনুষ্ঠিত কৰা, আমি নিৰাপত্তাৰ ব্যৱস্থা কৰিম। কিন্তু যেতিয়া উগ্ৰবাদী মোল্লা সকলে নিজৰ দল-বল লৈ আহি মাৰ-পিট আৰম্ভ কৰিছিল তেতিয়া প্ৰশাসনৰ পুলিচ বহি বহি দৃশ্য চাই আছিল। কোনো ধৰণৰ বাধা প্ৰদান কৰা নাছিল। যিয়েই নহওঁক আমি আল্লাহ তা'লাৰ সমীপত নতশীৰ হ'ব লাগিব। আল্লাহ তা'লাৰ ওচৰত দোৱা প্ৰাৰ্থনা কৰিব লাগিব। আল্লাহ তা'লা আমাৰ এই ভাই সকলৰ সকলো সমস্যা অতি সোনকালে আঁতৰাই শান্তি স্থাপন কৰক। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ۔ عِبَادَ اللّٰهِ رحمکم اللّٰه اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِی الْقُرْبٰی
وَيَنْهٰی عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْیِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**